জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৪৮/২০২০

# কৃষি বিভাগৰ ১১১ গৰাকী নৱনিযুক্ত কৃষি উন্নয়ন বিষয়াৰ নিয়োগ পত্ৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে কৃষকসকলৰ বাবে গ্ৰহণ কৰা আঁচনিত ভৱিষ্যতে যাতে কোনো ধৰণৰ দুৰ্নীতি সংঘটিত নহয় সেইটো নিশ্চিত কৰাৰ বাবে নৱনিযুক্ত কৃষি উন্নয়ন বিষয়াসকলক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৪ জুন ঃ** 'ৰাজ্য চৰকাৰে ৰাজ্যখনৰ কৃষকসকলক উপযুক্ত মৰ্যাদা প্ৰদানৰ দিশত পদক্ষেপ লৈছে আৰু আজি নিয়োগপত্ৰ লাভ কৰা কৃষি উন্নয়ন বিষয়াসকলে কৃষিক এক সন্মানীয় বৃত্তি হিচাপে অৱলম্বন কৰাৰ দিশত নিষ্ঠাসহকাৰে কাম কৰিব লাগিব যাতে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মই কৃষিক এক মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে লোৱাৰ বাবে অনুপ্ৰাণিত হয়। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিখন ৰূপায়ণ কৰোঁতে বহু সংখ্যক অনিয়ম সংঘটিত হৈছে। কিন্তু কৃষকৰ বাবে গ্ৰহণ কৰা আঁচনিৰ ধন আত্মসাৎ কৰা কাকো সাৰি যাব দিয়া নহ'ব। আজি নিযুক্তিপ্ৰাপ্ত কৃষি উন্নয়ন বিষয়াসকলে ভৱিষ্যতে যাতে এনেধৰণৰ কোনো দুৰ্নীতি বা অনিয়ম সংঘটিত হ'ব নোৱাৰে সেইটো নিশ্চিতি প্ৰদানৰ দিশত দায়বদ্ধতাৰে কৰ্তব্যত নিয়োজিত হ'ব লাগিব।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কৃষি বিভাগৰ ১১১ সংখ্যক কৃষি উন্নয়ন বিষয়াৰ নিয়োগপত্ৰ প্ৰদান অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

২০২২ চনৰ ভিতৰত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আজি নিযুক্তি লাভ কৰা বিষয়াসকলক ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ ক্ষিপ্ৰ উন্নয়নৰ বাবে ফচল বীমা যোজনা, চয়েল হেলথ্ কাৰ্ড, প্ৰধানমন্ত্ৰী কিষান সন্মান নিধি, কিষাণ ক্ৰেডিট কাৰ্ড ইত্যাদিৰ লেখীয়া আঁচনিসমূহ যথাযথভাৱে ৰূপায়ণৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে এই বিষয়াসকলক কৃষকে কৃষিকাৰ্যত সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ দিশত সহায়ৰ হাত আগবঢ়োৱাৰ লগতে কৃষকসকলক শেহতীয়া প্ৰযুক্তিৰ বিষয়ে অৱগত কৰাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়।

আজি নিযুক্তি লাভ কৰা কৃষি উন্নয়ন বিষয়াসকলক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকে ৰাজ্যখনৰ কৃষক সমাজলৈ সেৱা আগবঢ়োৱাৰ বিশেষ সুবিধা লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কৃষি বিভাগে এই বছৰৰ ভিতৰতে কৃষি সম্প্ৰসাৰণ বিষয়া, গাঁও পৰ্যায়ৰ সম্প্ৰসাৰণ কৰ্মী ইত্যাদিকে ধৰি মুঠ ৩১৮৯ সংখ্যক বিষয়া কৰ্মচাৰীক নিয়োজিত কৰিব। তদুপৰি বিভাগে কনিষ্ঠ অভিযন্তাকে ধৰি ১৫৭ টা কাৰিকৰী পদত প্ৰাৰ্থী নিয়োজিত কৰাৰ ব্যৱস্থা কৰিব।

ৰাজ্যখনৰ প্ৰগতিশীল কৃষকৰ সৈতে ভিয়েটনাম ভ্ৰমণ কৰাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভিয়েটনামে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ মূল কাৰণ কৃষি বিজ্ঞানী তথা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে সেই দিশত কৃষকসকলৰ সৈতে এটা টীমৰ মানসিকতাৰে কাম কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ জলবায়ু আৰু উৰ্বৰ কৃষিভূমিয়ে কৃষিখণ্ডত ভিয়েটনামে লাভ কৰা সফলতাৰ দৰে যথেষ্ট সম্ভাৱনীয়তা বহন কৰিছে বুলি উল্লেখ কৰি

মুখ্যমন্ত্ৰীয়ে আজি নিযুক্তি লাভ কৰা বিষয়াসকলক কৃষিখণ্ডত তেওঁলোকৰ উদ্ভাৱনী শক্তিৰ প্ৰয়োগ কৰাৰ দিশত আত্মনিয়োগ কৰাৰ বাবেও আহ্বান জনায়।

লক্‌ডাউনৰ সময়ছোৱাত অসমৰ কৃষিজাত সামগ্ৰীয়ে ৭০ দিনৰ ভিতৰত ৩৫৭ কোটি টকা ব্যৱসায় কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলশ্ৰুতিতেই অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী লণ্ডন, আবুধাবি, ডুবাই, ছিংগাপুৰ ইত্যাদিৰ লেখীয়া স্থানলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে মুখ্যমন্ত্ৰীৰ কৃষি সা-সজুলি যোজনাৰ জৰিয়তে ৰাজ্যখনৰ ৪.৫ লাখ কৃষকলৈ কৃষি সা-সজুলি ক্ৰয়ৰ বাবে ৫ হাজাৰ টকাকৈ প্ৰদান, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনৰ ২৬ হাজাৰ গাঁৱৰ প্ৰত্যেকলৈ একোখনকৈ ট্ৰেক্টৰ প্ৰদান, কৃষকলৈ ৪৮ হাজাৰটা অগভীৰ নলী-নাদ বিতৰণ ইত্যাদিৰ দৰে পদক্ষেপ লোৱা হৈছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কৃষি উন্নয়ন বিষয়াসকলক মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত লাভ কৰা ট্ৰেক্টৰসমূহ ব্যৱহাৰৰ দিশত কৃষকসমাজক বিশেষভাৱে পৰামৰ্শদান, ৰাজ্য চৰকাৰে ১০০ টা ফাৰ্মাৰ্চ প্ৰডিউচাৰ্ছ কোম্পানী স্থাপনৰ পদক্ষেপ ইত্যাদিৰ বিষয়ে সজাগ কৰাৰ বাবেও আহ্বান জনায়। কৃষি উন্নয়ন বিষয়াসকলে তেওঁলোকৰ কৰ্তব্যনিষ্ঠা আৰু সততাৰে পালন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সৃষ্ট পৰিস্থিতিয়ে বহন কৰা সম্ভাৱনীয়তাৰে ৰাজ্যখনৰ কৃষি অৰ্থনীতিৰ জৰিয়তে সামগ্ৰিক উন্নয়নৰ বাবে কৰ্মত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'লোকেল-ভোকেল-গ্লৱেল' আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় উৎপাদনক উৎসাহিত কৰাৰ বাবে তেওঁলোকৰ উদ্ভাৱনীমূলক চিন্তা-চৰ্চা আৰু জ্ঞান কৰ্মপথাৰত প্ৰয়োগ কৰাৰ বাবেও আহ্বান জনায় যাতে উৎপাদন, ক্ৰয় আৰু কৃষি সামগ্ৰীৰ বিপণনৰ এক অবিৰত শৃংখল ৰাজ্যখনত গঢ় লৈ উঠিব পাৰে। মুখ্যমন্ত্ৰীয়ে লগতে তেওঁলোকৰ আওঁতাত পৰা এলেকাৰ বজাৰ জৰীপ কাৰ্য চলাই বজাৰৰ যোগসূত্ৰ স্থাপনৰ দিশত কৃষক সমাজলৈ সহায়ৰ হাত আগবঢ়োৱাৰ বাবেও বিষয়াসকলক আহ্বান জনায় যাতে কৃষকসকলে তেওঁলোকৰ কৃষিজাত সামগ্ৰী বিপণনৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সন্মুখীন নহয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কৃষিমন্ত্ৰী অতুল বৰাই তেওঁৰ বিভাগে কৃষি যান্ত্ৰিকীকৰণৰ বাবে লোৱা পদক্ষেপসমূহৰ বিষয়ে বাখ্যা কৰাৰ উপৰি নতুনকৈ নিযুক্তি লাভ কৰা বিষয়াসকলক বদলিৰ বাবে আবেদন নকৰাৰ বাবেও আহ্বান জনায়। কৃষি মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত কৃষি বিপ্লৱৰ সূচনা কৰাৰ দিশত বিষয়াসকলক নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হ'বলৈও আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত অসম বিধানসভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, সাংসদ ড° ৰাজদ্বীপ ৰয়, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালীকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ**
**২৪/০৬/২০২০**